**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-11-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব।

২। সমগ্ৰ ৰাষ্ট্ৰই আজি স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা ভগৱান বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে আজি ঝাৰখণ্ডৰ ৰাজ্যিক প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। জম্মু-কাশ্মীৰৰ ন'গাম থানাত যোৱা নিশা দুৰ্ঘটনা ক্ৰমে হোৱা এটা বিস্ফোৰণ ৯জন লোক নিহত

আৰু

৫। কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ প্ৰথম টেষ্টৰ আজি দ্বিতীয় দিনা ভাৰতে বাতৰি লিখা পৰলৈকে ৮টা উইকেট হেৰুৱাই ১৮৭ ৰান সংগ্ৰহ কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। ভ্ৰমণকালত তেওঁ চুৰাটত নিৰ্মাণৰত বুলেট ৰে'ল ষ্টেচন পৰিদৰ্শন কৰি মুম্বাই-আহমেদাবাদ সংযোগী তীব্ৰ বেগী ৰে'ল কৰিড'ৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। ইয়াৰ পাছত শ্ৰী মোদীয়ে নৰ্মদা জিলাৰ দেৱমোগ্ৰা মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়াব। তেওঁ লগতে ধৰ্তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ডেডিয়াপাৰাত আয়োজিত এটা অনুষ্ঠানত অংশ ল'ব এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে ৯ হাজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী জনজাতি আদিবাসী ন্যায় মহা অভিযান আৰু ধৰ্তি আবা জনজাতীয় গ্ৰাম্য উৎকৰ্ষ অভিযানৰ অধীনত ১ লাখ গৃহ প্ৰৱেশ অনুষ্ঠানতো অংশ ল'ব।

0000000

সমগ্ৰ ৰাষ্ট্ৰই আজি স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা ভগৱান বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰিছে। চৰকাৰে জনজাতীয় ইতিহাসক জীৱন্ত কৰি ৰখাৰ গুৰুত্বৰ বিষয়ে উপলব্ধি কৰি ২০২১ চনৰ পৰা ১৫ নৱেম্বৰৰ দিনটো জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰি আহিছে। সময়ৰ লগে লগে এই উৎসৱ জনজাতীয় গৌৰৱ সপ্তাহলৈ ৰূপান্তৰিত হৈছে আৰু দেশৰ প্ৰান্তে প্ৰান্তে সাংস্কৃতিক অনুষ্ঠান, প্ৰদৰ্শনী আৰু শিক্ষামূলক কাৰ্যসূচীৰে জনজাতীয় নায়ক বীৰছা মুণ্ডাৰ জীৱন আৰু কাৰ্যক জীয়াই ৰখাৰ প্ৰয়াস কৰা হৈছে।

চৰকাৰে জনজাতীয় স্বাধীনতা সংগ্ৰামীসকলৰ স্মৃতি বিজড়িত সংগ্ৰহালয় আৰু স্মাৰকসমূহৰ উন্নয়নত গুৰুত্ব প্ৰদান কৰি আহিছে। এই উদ্দেশ্যে দেশৰ ১০ খন ৰাজ্যত ১১ টা সংগ্ৰহালয়ত অনুমোদন দিয়া হৈছে আৰু ইয়াৰে তিনিটা ইতিমধ্যে উন্মোচন কৰা হৈছে। এই সমূহৰ ভিতৰত ৰাচীঁৰ বীৰছা মুণ্ডাৰ স্মাৰক উদ্যান আৰু সংগ্ৰহালয় অন্যতম। একেদৰে ৰায়পুৰৰ জনজাতীয় ডিজিটেল সংগ্ৰহালয়টো বীৰ নাৰায়ণ সিঙৰ নামেৰে নামকৰণ কৰা হৈছে। জনজাতীয় গৌৰৱ দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতি দ্ৰৌপদি মূৰ্মু,উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু লোকসভাৰ অধক্ষ্য ওম বিৰলাই

আজি নতুন দিল্লীৰ সংসদ ভৱন চৌহদত ভগৱান বীৰছা মুণ্ডালৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মূৰ্মুৰে সামাজিক মাধ্যম যোগে কয় যে বীৰছা মুণ্ডাৰ জন্ম বাৰ্ষিকী ২০২১ চনৰে পৰা ৰাষ্ট্ৰজুৰি জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰি অহা হৈছে। উপৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে তেওঁ বাৰ্তাত কয় যে,বিৰছা মুণ্ডা প্ৰজ্বলিত কৰা দেশভক্তিৰ বন্তিগচি প্ৰজন্ম প্ৰজন্ম ধৰি জলি থাকিব। বিৰছা মুণ্ডা আৰু অন্য জনজাতীয় স্বধীনতা সংগ্ৰামী সকলৰ কাহিনী আমৰ হৈ থাকিব বুলি তেওঁ মন্ত্যব কৰে। লোকসভাৰ অধক্ষ্য ওম বিৰলাই নিজৰ বাৰ্তাত কয় যে ৰাষ্ট্ৰীয় স্বাৰ্থ,জনজাতীয় লোকৰ উন্নয়ন আৰু আত্ম সন্মানৰ বাবে বিৰছা মুণ্ডাৰ নজিৰ বিহীন সংগ্ৰাম সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

ৰেল তথা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱেও বিৰছা মুণ্ডাৰ ডেৰশ বছৰিয়া জয়ন্তী উপলক্ষে আজি জনজাতীয় নেতা গৰাকীলৈ শ্ৰাদ্ধা নিবেদন কৰে। শ্ৰী বৈষ্ণৱে সামাজিক মাধ্যন যোগে দিয়া এটা বাৰ্তাত জনজাতিয় গৌৰৱ দিবস উপলক্ষে দেশবাসীক ওলগ জনায়।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে আজি ঝাৰখণ্ডৰ ৰাজ্যিক প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুয়ে কয়, যে ভগৱান বীৰচা মুণ্ডা ভূমিত প্ৰতিভাশালী আৰু কষ্ট সহিষ্ণু লোকসকলে ৰাজ্যখনৰ লগতে সমগ্ৰ দেশৰ গৌৰৱ বৃদ্ধি কৰিছে। প্ৰাকৃতিক সম্পদৰে সমৃদ্ধ এই ৰাজ্যখনে দেশৰ প্ৰগতিত যথেষ্ট বৰঙণি যোগোৱা বুলি তেওঁ মত প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ৰাজ্যখনৰ জনজাতীয় সম্প্ৰদায় সমূহৰ ঐশ্বৰ্য্যশালী লোককলাই দেশৰ লগতে বিদেশতো সমাদৃত হৈছে। ৰাজ্যখনৰ বীৰ পুত্ৰসকলে ভাৰত মাতাৰ সন্মুখত সাহসৰ অতুলনীয় উদাহৰণ দাঙি ধৰা বুলিও তেওঁ মত প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে ৰাজ্যখনৰ পৰিশ্ৰমী জনসাধাৰণৰ বৰঙণিৰে ঝাৰখণ্ডে দেশৰ প্ৰগতিত অমূল্য ভূমিকা পালন কৰিছে। ভগৱান বীৰচা মুণ্ডাৰ এই ভূমি গৌৰৱময় ইতিহাস, ঐশ্বৰ্য্যশালী জনজাতীয় সংস্কৃতি, আত্মমৰ্যাদা তথা সাহসৰ বাবে জনজাত বুলিও তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কয়, যে জনজাতীয় সংস্কৃতিৰে সমৃদ্ধ ভগৱান বীৰচা মুণ্ডাৰ এই ভূমিৰ সংগ্ৰাম, সাহস আৰু আত্মসন্মানৰ ঐতিহাসিক গাঁথা আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ অবিৰত প্ৰগতি আৰু সমৃদ্ধি কামনা কৰে।

গৃহমন্ত্ৰী অমিত শ্বাহে এটা বাৰ্তাত কয়, যে স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি দেশৰ গৌৰৱ বৃদ্ধি কৰাক লৈ প্ৰতিটো ক্ষেত্ৰতে ঝাৰখণ্ডে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁ ঝাৰখণ্ডক জনজাতীয় ঐতিহ্য আৰু প্ৰাকৃতিক সম্পদৰ পবিত্ৰ ভূমি হিচাপে অভিহিত কৰে।

০০০০০০০

জম্মু কাশ্মীৰৰ ন'গাম থানাত যোৱা নিশা দূৰ্ঘটনাক্ৰমে হোৱা এটা বিস্ফোৰণত ৯ জন লোকে প্ৰাণ হেৰুৱায়।
জম্মু কাশ্মীৰৰ আৰক্ষী অধীক্ষক প্ৰধান নলিন প্ৰভাতে কৈছে যে,নিহত সকলৰ ভিতৰত ৰাজ্যিক তদন্ত সংস্থাৰ এগৰাকী, ফৰেনচিক বিজ্ঞান পৰিক্ষা গাৰ দলৰ ৩ গৰাকী কৰ্মী,অপৰাধ সংঘটিত স্থানৰ ফটো তুলিবলৈ অহা ২ গৰাকী ফটোগ্ৰাফাৰ,দণ্ডাধিশ দলত অন্তৰ্ভুক্ত ২ গৰাকী ৰাজহ বিষয়া আৰু দলৰ সৈতে জৰিত ওগৰাকী দৰ্জী আছে।

নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ জন্মু কাশ্মীৰ সংমণ্ডলৰ যুটীয়া সচিব প্ৰশান্ত লোখাণ্ডেই কয় যে, এই ঘটনাৰ ২৭ গৰাকী আৰক্ষী কৰ্মী, ২ গৰাকী ৰাজহ বিষয়া আৰু ৩ গৰাকী অসামৰিক লোক আহত হয় আৰু তেওঁলেকক ততাতয়াকৈ চিকিৎসালয়লৈ নিয়া হয়।তেওঁ কয় যে, চৰকাৰ দুখৰ এই মুহুৰ্তত নিহত লোকসকলৰ পৰিয়াল বৰ্গৰ কাষত আছে।

শ্ৰী লোখাণ্ডেই কয় যে, সন্ত্ৰাসবাদী গোটৰ তদন্তৰ সময়ত উদ্ধাৰ হোৱা বিস্ফোৰক সামগ্ৰী আৰু ৰসায়নৰ পৰীক্ষা কালত এই বিস্ফোৰণ সংঘটিত হয়।

০০০০০০০

ভাৰতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ তালিবান বিৰোধী অনুমোদন সমিতিত অধ্যক্ষতা কৰা আৰু সন্ত্ৰাসবাদ বিৰোধী পেনেলত সহ অধ্যক্ষতা কৰা পাকিস্তানক সমালোচনা কৰে। ভাৰতৰ স্থায়ী প্ৰতিনিধি পি হৰিশে কালি পৰিষদৰ কাম কাজ সন্দৰ্ভত হোৱা বিতৰ্কৰ সময়ত কয়, যে ন্যস্ত স্বাৰ্থৰ সদস্য ৰাষ্ট্ৰসমূহক এনেধৰণৰ সমিতি সমূহত অধ্যক্ষতা কৰাৰ দায়িত্ব দিয়া উচিত নহয়। পি হৰিশে পাকিস্তানৰ নাম উল্লেখ নকৰাকৈ এই মত প্ৰকাশ কৰে। ১৯৮৮ সমিতি হিচাপে জনাজাত এই সমিতিৰ তালিবান সদস্যসকলৰ বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত বাধানিষেধ আৰোপ কৰাৰ অধিকাৰ আছে। এই প্ৰতিবন্ধকতাৰ ফলত আফগানিস্তানৰ বৈদেশিক মন্ত্ৰী আমিৰ খান মুত্তাকিৰ যোৱা মাহত ভাৰত ভ্ৰমণৰ ক্ষেত্ৰত বিলম্ব হোৱা পৰিলক্ষিত হৈছিল। উল্লেখযোগ্য যে, তালিবান নেতৃত্বৰ আফগানিস্তান আৰু পাকিস্তানৰ মাজত সংঘৰ্ষ অব্যাহত আছে। পাকিস্তান ৰাষ্ট্ৰসংঘৰ সন্ত্ৰাসবাদ বিৰোধী সমিতিৰ সহ অধ্যক্ষ হোৱাৰ বিপৰীতে দেশখনে বহু সন্ত্ৰাসবাদী নেতা আৰু গোটক আশ্ৰয় দি অহা পৰিলক্ষিত হৈছে। দেশখনে আশ্ৰয় দিয়া কেইবাগৰাকীও সন্ত্ৰাসবাদীক আনকি ৰাষ্ট্ৰসংঘৰ তৰফৰ পৰাও ইতিমধ্যে নিষিদ্ধ ঘোষণা কৰা হৈছে। পি হৰিশে নিৰাপত্তা পৰিষদৰ সন্ত্ৰাসবাদ বিৰোধী সমিতিৰ কাম কাজ তথা সমিতিৰ অধ্যক্ষ নিৰ্বাচনৰ ক্ষেত্ৰত থকা গোপনীয়তা আঁতৰ কৰি সকলো কাম স্বচ্ছভাৱে কৰিবলৈ আহ্বান জনায়।

০০০০০০০

ভাৰত আৰু পাৰাগুৱেই দ্বিপাক্ষিক, আঞ্চলিক, বহুপাক্ষিক আৰু আন্তৰ্জাতিক পৰ্যায়ত সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে সন্ত্ৰাসবাদৰ বিৰুদ্ধে উমৈহতীয়া যুঁজ অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতিক পুনৰ নিশ্চিত কৰিছে। এচুনচিয়নত অনুষ্ঠিত যুটীয়া আয়োগ প্ৰণালীৰ প্ৰথমখন বৈঠকত উভয় পক্ষই সন্ত্ৰাসবাদৰ বিৰুদ্ধে সহমত পোষণ কৰে।

আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদে গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰা বুলি দুয়োখন দেশে মত প্ৰকাশ কৰে। উভয় পক্ষই উমৈহতীয়া স্বাৰ্থ ৰক্ষাৰ হকে চাইবাৰ নিৰাপত্তা তথা  নিৰাপত্তাৰ বিভিন্ন ক্ষেত্ৰত সহযোগিতা আৰু দ্বিপাক্ষিক সহযোগিতাৰ প্ৰণালী অধিক শক্তিশালী কৰি তোলাৰ বাবে সদিচ্ছা প্ৰকাশ কৰে। বৈঠকত পাৰাগুৱেৰ বৈদেশিক পৰিক্ৰমাৰ উপ-মন্ত্ৰী, ৱিক্তৰ ৱাৰ্দুন আৰু মন্ত্ৰালয়ৰ সচিব পেৰিয়াচেমী কুমাৰমে সহ অধ্যক্ষতা কৰে। দুয়োখন দেশে দ্বিপাক্ষিক সম্পৰ্কৰ সাম্প্ৰতিক অৱস্থিতি পৰ্যালোচনা কৰে। দেশ দুখনে উমৈহতীয়া স্বাৰ্থ জড়িত ক্ষেত্ৰ সমূহত সহযোগিতা শক্তিশালী কৰি তোলাৰ লগতে বাণিজ্যৰ সংবৰ্ধন, বিনিয়োগৰ উন্নয়নৰ লগতে বিভিন্ন খণ্ডত মিত্ৰতা ত্বৰান্বিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকত উচ্চ পৰ্যায়ৰ ৰাজনৈতিক আলোচনা, চৰকাৰী ভ্ৰমণ, অগ্ৰাধিকাৰপ্ৰাপ্ত বিষয়সমূহৰ সম্পূৰ্ণ বুজ লোৱাকে ধৰি নতুন পদক্ষেপ গ্ৰহণৰ গুৰুত্ব সন্দৰ্ভত সহমত প্ৰকাশ কৰা হয়। উভয় পক্ষই নৱীকৰণযোগ্য শক্তি, কৃষি, বাণিজ্য, ভেষজ, জৈৱ ইন্ধনকে ধৰি গুৰুত্বপূৰ্ণ ক্ষেত্ৰ সমূহত দ্বিপাক্ষিক বাণিজ্য তথা বিনিয়োগৰ সম্ভাব্য প্ৰগতি সন্দৰ্ভত আলোচনা কৰে। পাৰাগুৱেৰ প্ৰতিনিধিসকলে দেশখনত বিনিয়োগৰ বাবে ভাৰতক উৎসাহিত কৰে।

0000000

কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ প্ৰথম টেষ্টৰ কালি প্ৰথম দিনা ভাৰতে নিজৰ প্ৰথম ইনিংছত এটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৩৭ ৰানৰ  পৰা আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰে। বাতৰি লিখা পৰলৈকে ভাৰতে ৮টা উইকেট হেৰুৱাই ১৮৭ ৰান সংগ্ৰহ কৰিছে।

ইয়াৰ পূৰ্বে কালি ভাৰতীয় বলাৰসকলৰ নিয়ন্ত্ৰিত ব'লিঙৰ সন্মুখত দক্ষিণ আফ্ৰিকাৰ বেটিং বিপৰ্যয় ঘটে। দক্ষিণ আফ্ৰিকাই ১৫৯ ৰান কৰি আটাইকেইটা উইকেট হেৰুৱাই প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ১৪ অভাৰত ২৭ ৰান দি পাঁচটা উইকেট দখল কৰে। মহম্মদ ছিৰাজ আৰু কুলদ্বীপ যাদৱে দুটাকৈ আৰু অক্ষৰ পেটেলে এটা উইকেট দখল কৰে।

শৃংখলাটোৰ দ্বিতীয় তথা অন্তিমখন টেষ্ট অহা ২২ নৱেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'ব।

0000000

সমাপ্ত